# অসম বিধান সভা

**তৰা যুক্ত প্ৰশ্ন নং :** ২
**বিষয় :** খিলঞ্জীয়া জাতি জনগোষ্ঠী
**বিধায়কৰ নাম :** শ্ৰী হিমাংশু শেখৰ বৈশ্য
**উত্তৰ দিয়া তাৰিখ :** ০৬/০৭/২০২৬

## প্ৰশ্ন

মাননীয় খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস ও সংস্কৃতি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

**(ক)** অসমৰ খিলঞ্জীয়া জাতি জনজাতীয় লোকসকলৰ চহকী ঐতিহ্যপূৰ্ণ সংস্কৃতি সমূহ বৰ্তমান নিখোজ হবলৈ যোৱাৰ বিষয়ে চৰকাৰ অৱগত নে ?

**(খ)** যদি অৱগত, এই সংস্কৃতি সমূহ সংৰক্ষণ কৰিবলৈ চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি ? জনাব।

## উত্তৰ

মাননীয় খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস ও সংস্কৃতি বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব :

**(ক)** অসমৰ খিলঞ্জীয়া জাতি-জনজাতীয় লোকসকলৰ চহকী আৰু ঐতিহ্যবাহী সাংস্কৃতিক সমলসমূহ বৰ্তমানেও সংৰক্ষিত হৈ আছে। এই অমূল্য সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ, সুৰক্ষা, সংবৰ্ধনৰ লক্ষ্যৰে চৰকাৰে সময়ে সময়ে বিভিন্ন পদক্ষেপ আৰু কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।

**(খ)** অসমৰ খিলঞ্জীয়া আৰু জনজাতীয় গোষ্ঠীসমূহৰ পাৰম্পৰিক ধৰ্মীয় বিশ্বাস, আধ্যাত্মিক মূল্যবোধ আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে ৩০/০৭/২০২১ তাৰিখৰ অধিসূচনা নং এ. আৰ. ৩৮/২০২১/৩৪ অনুসৰি খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ গঠন কৰিছে।

উক্ত বিভাগে সংশ্লিষ্ট জনগোষ্ঠীসমূহৰ সৈতে নিয়মীয়া পৰামৰ্শ আৰু মত-বিনিময়ৰ জৰিয়তে তেওঁলোকৰ পাৰম্পৰিক সংস্কৃতি, ধৰ্মীয় বিশ্বাস আৰু ঐতিহ্য সংৰক্ষণ, সুৰক্ষা আৰু সংবৰ্ধনৰ উদ্দেশ্যে বিভিন্ন আঁচনি আৰু কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। ভৱিষ্যতেও এই উদ্দেশ্য সাধনৰ লক্ষ্যে প্ৰয়োজনীয় পদক্ষেপ আৰু কাৰ্যসূচী গ্ৰহণ অব্যাহত ৰখা হ'ব।

(উত্তৰসমুহ আৰু সংশ্লিষ্ট cms.neva.gov.in ৱেবছাইটত আপলোড কৰা হৈছে)

**********